**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 04-10-2025**
**Time : 21-25 Hrs**

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা বিশেষ তদন্তকাৰী গোটে মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্ত, শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক জেৰা অব্যাহত ৰাখিছে। ঘটনা সন্দৰ্ভত আজি এছ্ আই টিয়ে জুবিন গাৰ্গৰ সহশিল্পী ছুইটি দাস, সাংবাদিক প্ৰণয় বৰদলৈ, সাংবাদিক সাৰস্বত গোস্বামীৰো ভাষ্য গ্ৰহণ কৰে। এছ্ আই টিৰ তদন্তকাৰী বিষয়াই আজি জুবিন গাৰ্গৰ সম্পৰ্কীয় ভাতৃ সন্দীপন গাৰ্গক চতুৰ্থবাৰলৈ জেৰা কৰে। এছ্ আই টিয়ে আজি গৰিমা গাৰ্গ আৰু জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰৰ ভাষ্য গ্ৰহণ কৰে। তদন্তকাৰী বিষয়া মৰমী দাসে তেওঁলোকৰ ভাষ্য জুবিন গাৰ্গৰ বাসগৃহত উপস্থিত হৈ গ্ৰহণ কৰে। এই ঘটনা সন্দৰ্ভত চলি থকা তদন্তৰ মাজতে চি আই ডি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জয়ন্ত বৰ্মনক আজি বদলি কৰে। জয়ন্ত বৰ্মনৰ স্থানত জ্যেষ্ঠ আৰক্ষী বিষয়া উপেন কলিতাক এই দায়িত্ব অৰ্পণ কৰা হৈছে।

ইফালে জি এম চি এইচত কৰা জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰক্ষীয়ে আজি আদালতত দাখিল কৰাৰ লগতে শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গক অৰ্পণ কৰা কৰিছিল। কিন্তু গৰিমা গাৰ্গে এই প্ৰতিবেদন আৰক্ষীক ওভতাই দিয়ে। তদন্ত নিয়াৰিকৈ সম্পন্ন হোৱাৰ স্বাৰ্থত এই প্ৰতিবেদন আৰক্ষী আৰু আদালতৰ ওচৰত থকা উচিত বুলি তেওঁ অনুভৱ কৰাৰ কথা সাংবাদিকৰ আগত ব্যক্ত কৰে। তেওঁ লগতে এই ঘটনাৰ ন্যায় বিচাৰ দাবী কৰে।

**বাইট**

ooooo

অসম সাহিত্য সভাই আজি জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰে। গুৱাহাটীৰ দীঘলীপুখুৰীস্থিত সাহিত্য সভা ভৱনৰ চৌহদত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত উপস্থিত ৰাইজে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে সৰ্বধৰ্ম প্ৰাৰ্থনা সভাত অংশগ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থাকি সাহিত্য সভাৰ সভাপতি ড০ বসন্তকুমাৰ গোস্বামীয়ে কয়, যে জুবিন গাৰ্গ আছিল অসমীয়াৰ সাংস্কৃতিক ইতিহাসৰ এক যুগচিহ্ন। তেওঁ নিজৰ সংগীতেৰে অসমক বিশ্বৰ মঞ্চত চিনাকি কৰাইছিল। তেওঁৰ গীতত আমাৰ সমাজৰ আশা, কষ্ট, আনন্দ, প্ৰেম আৰু প্ৰতিবাদ একেলগে প্ৰকাশ পায়।

ooooo

বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে কাইলৈ বিটিআৰৰ নতুন মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ কৰিব। কোকৰাঝাৰৰ বিটিচি সচিবালয় খেলপথাৰত শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই শপতগ্ৰহণ অনুষ্ঠানত অংশ লোৱাৰ কথা। মুখ্য সচিব ড° ৰবি কোটাই বিটিচিৰ কাৰ্যবাহী পৰিষদৰ নৱনিৰ্বাচিত সদস্যসকলক শপত বাক্য পাঠ কৰোৱাব। দিনৰ ১১ বজাৰ পৰা এই শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব।

ooooo

সামাজিক মাধ্যম অত্যন্ত শক্তিশালী আৰু ইতিবাচক তথা ৰুচিসন্মতভাৱে ব্যৱহাৰ কৰিলে ই আমাৰ মানসিকতাক প্ৰতিফলিত কৰাই নহয় সমাজতো ইতিবাচক প্ৰভাৱ বিস্তাৰ কৰে। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাতত সামাজিক মাধ্যমে অনা পৰিৱৰ্তন আৰু সমাজ সন্দৰ্ভত আলোচনাত অংশ লৈ আজি সমাজকৰ্মী তথা লেখিকা অৰ্চনা বৰঠাকুৰে এইকথা প্ৰকাশ কৰে। এই অনুষ্ঠানত অধিবক্তা নন্দিতা তালুকদাৰে সামাজিক মাধ্যম ব্যৱহাৰৰ ক্ষেত্ৰত সংযত হোৱাৰ লগতে আইনী দিশসমূহৰ প্ৰতি সচেতন হ'বলৈ আহ্বান জনায়। তেওঁ সামাজিক মাধ্যমত অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কঠোৰ আইন বলৱৎকৰণৰ পোষকতা কৰে। অনুষ্ঠানটোৰ আঁত ধৰে অৰুণিমা গোস্বামীয়ে।

ooooo

ভাৰতে আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথম টেষ্টত ৱেষ্ট ইণ্ডিজক এক ইনিংছ আৰু ১৪০ ৰানত পৰাস্ত কৰে। আলহী দলটোক প্ৰথম ইনিংছত ১৬২ ৰানতে অলআউট কৰাৰ পাছত ভাৰতে কে এল ৰাহুল, ৰবীন্দ্ৰ জাদেজা আৰু ধ্ৰুৱ জুৰেলৰ শতকৰ সহায়ত পাঁচ উইকেটৰ বিনিময়ত ৪৪৮ ৰান কৰা অৱস্থাত প্ৰথম ইনিংছ ঘোষণা কৰে আৰু প্ৰথম ইনিংছৰ আধাৰত ২৮৬ ৰানৰ অগ্ৰগতি লাভ কৰে। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে ১৪৬ ৰানত দ্বিতীয় ইনিংছ সামৰে। শৃংখলাৰ দ্বিতীয়খন খেল ১০ অক্টোবৰৰ পৰা দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত